**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-09-2026 **Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

**HEADLINES**

**::::::::::::::::::**

ooooo

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লয়।

২। মণিপুৰত আজি জাৰি কৰা ভোটাৰ তালিকাত পুৰুষৰ তুলনাত মহিলাৰ ভোটদাতাৰ সংখ্যা অধিক পোৱা গৈছে।

৩। কেন্দ্ৰীয় পৰিবেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে স্থানীয় জৈৱ বৈচিত্ৰ্য আৰু পৰম্পৰাগত জ্ঞানৰ নথিভুক্তকৰণৰ বাবে স্থানীয় পৰ্যায়ৰ পৰিকল্পনা যুগুত কৰিবলৈ আহ্বান জনাইছে।

৪। নতুন দিল্লীৰ সত্য নিকেতন অঞ্চলত আজি এটা বহুমহলীয়া অট্টালিকা খহি পৰাৰ পৰিপ্ৰেক্ষিতত গৃহমন্ত্ৰী অমিত শ্বাহে গোৱাত অনুষ্ঠিত হ'বলগীয়া নিৰ্ধাৰিত কাৰ্যসূচী বাতিল কৰিছে।

*আৰু*

৫। ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটিয়ে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰে।

oooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অনুপ বৰ্মনে উদ্বোধনী ভাষণ দিয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি সম্ভাষণ জনোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ডিগ্ৰী আৰু ডিপ্লোমা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক শপত বাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত চি পি ৰাধাকৃষ্ণণৰ এয়া প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰে। তেওঁ কয় যে দেশ স্বাধীন হোৱাৰ পাছত ৰাজ্যত মাত্ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল আৰু সম্প্ৰতি এই সংখ্যা ১৪লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পুনৰ ৯খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আগবাঢ়িছে বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি গঠন কৰা কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে অনাগত ৩ বছৰত ৰাজ্যত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে প্ৰটন বীম থেৰাপি ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ অগ্ৰগতিক প্ৰশংসা কৰে। তেওঁ নিচামুক্ত অসম গঢ়াৰ বাবে সকলোকে শপতবাক্য পাঠ কৰোৱায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰী আৰু ডিপ্লোমাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

ইয়াৰ আগেয়ে আজি দিনৰ ভাগত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয়, যে সম্প্ৰতি মহিলাৰ অধিকাৰক প্ৰাধান্য দিয়াৰ ঐতিহাসিক ৰূপান্তৰ হৈছে। শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীক কেৰিয়াৰৰ বাবে সাজু কৰি তোলাৰ লগতে গণতন্ত্ৰ আৰু সমাজৰ উপযোগীকৈ সাজু কৰি তুলিব লাগে বুলি শ্ৰীৰাধাকৃষ্ণণে মত প্ৰকাশ কৰে। গীতানগৰ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনি, পৰিৱেশ সম্পৰ্কীয় পদক্ষেপ, সাক্ষৰতা, স্বাস্থ্য সজাগতাকে ধৰি বিভিন্ন দিশত সামূহিক অংশগ্ৰহণৰ জৰিয়তে কাম কৰাক লৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তুষ্টি ব্যক্ত কৰে।

০০০০০০

মণিপুৰত বিশেষ পুংখানুপুংখ নিৰীক্ষণ-এছ আই আৰ সম্পূৰ্ণ হোৱাৰ পাছত আজি জাৰি কৰা ভোটাৰ তালিকাত পুৰুষৰ তুলনাত মহিলাৰ ভোটদাতাৰ সংখ্যা অধিক পোৱা গৈছে। মুখ্য নিৰ্বাচন বিষয়া অৰুণ কুমাৰ সিনহাই জনোৱা মতে ২০২৬ চনৰ পহিলা জুলাই পৰ্যন্ত মণিপুৰত মুঠ ১৯লাখ ৬০হাজাৰ ৬২০গৰাকী পঞ্জীয়নভুক্ত ভোটদাতা আছে। ইয়াৰে ১০লাখ ৬হাজাৰ ৯৬২গৰাকী মহিলা, ৯লাখ ৫৩হাজাৰ ৩৫০গৰাকী পুৰুষ আৰু ৩০৮গৰাকী তৃতীয় লিংগ ভোটদাতা আছে। তেওঁ কয়, যে অন্তিমখন ভোটাৰ তালিকাত লিংগ অনুপাত হৈছে এহেজাৰ ৫৬। ই ৰাষ্ট্ৰীয় গড় অনুপাততকৈ যথেষ্ট অধিক বুলি মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে খচৰা ভোটাৰ তালিকাত মুঠ ৫৬হাজাৰ ৮৭১গৰাকী ভোটদাতাৰ নাম অন্তৰ্ভুক্ত কৰা হৈছিল আৰু মুঠ ৩০হাজাৰ ৬৫০গৰাকী ভোটদাতাৰ নাম তালিকাৰ পৰা বাদ দিয়া হয়। মুঠ এক লাখ ৫৮হাজাৰ ৬৭৭গৰাকী ভোটদাতাৰ গণনা প্ৰপত্ৰ লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ নাম খচৰা ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হয়।

০০০০০০

কেন্দ্ৰীয় পৰিবেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে স্থানীয় জৈৱ বৈচিত্ৰ্য আৰু পৰম্পৰাগত জ্ঞানৰ নথিভুক্তকৰণৰ বাবে স্থানীয় পৰ্যায়ৰ পৰিকল্পনা যুগুত কৰিবলৈ আহ্বান জনাইছে। ছত্তীগড়ত ৰাজ্যিক জৈৱিক বৈচিত্ৰ্য ব'ৰ্ড আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জৈৱ বৈচিত্ৰ্য পৰিষদৰ ষষ্ঠদশ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে জনসাধাৰণৰ জৈৱ বৈচিত্ৰ্য পঞ্জীয়নসমূহ স্থানীয় নিকায়সমূহৰ বাবে প্ৰগতিশীল পৰিকল্পনা আহিলাত পৰিণত হ'ব লাগে, যাৰ জৰিয়তে স্থানীয় জৈৱ বৈচিত্ৰ্যৰ বিষয়ে সকলো তথ্য লাভ কৰিব পৰা যায়। স্থানীয় পৰিকল্পনা গ্ৰহণ আৰু স্থায়ী বিকাশৰ বাবে পৰম্পৰাগত জ্ঞানৰ জৰিয়তে অৰিহণা যোগাব লাগে বুলিও তেওঁ কয়। শ্ৰীযাদৱে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক জৈৱ বৈচিত্ৰ্য সংশোধনী আইন ২০২৩ আৰু জৈৱ বৈচিত্ৰ্য নিয়ম ২০২৪ৰ সংশোধিত কাঠামোৰ সৈতে নিজ নিজ নিয়ম কানুন, প্ৰতিষ্ঠানিক ব্যৱস্থা, কাৰ্যকৰীকৰণ প্ৰক্ৰিয়া সমূহৰ সমন্বয় ঘটাবলৈও আহ্বান জনায়। ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণে আজি আৰু কাইলৈ দুদিনীয়াকৈ এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকৰ আয়োজন কৰে।

০০০০০০

নতুন দিল্লীৰ সত্য নিকেতন অঞ্চলত আজি এটা পাঁচ মহলীয়া অট্টালিকা খহি পৰে। দিল্লী অগ্নিনিৰ্বাপক সেৱাই জনোৱা মতে, তিনিজন লোকক উদ্ধাৰ কৰি ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে ১৮খন অগ্নিনিৰ্বাপক বাহনৰ গাড়ী ঘটনাস্থলীত মোতায়েন কৰা হৈছে। দিল্লীৰ উপ ৰাজ্যপাল

তাৰণজিৎ সিং সন্ধুৱে সংশ্লিষ্ট সকলো সংস্থাক সহযোগিতাৰে কাম কৰি ঘটনাস্থলীত দ্ৰুত উদ্ধাৰ অভিযান চলাবলৈ নিৰ্দেশ দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সন্ধুৱে কয় যে পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰখা হৈছে আৰু প্ৰতিজন ব্যক্তিয়ে সহায়-সহযোগিতা পোৱাটো নিশ্চিত কৰা হ'ব বুলি জানিবলৈ দিয়ে। তেওঁ ঘটনাটোত ক্ষতিগ্ৰস্ত সকলোৰে সুৰক্ষা আৰু মংগলৰ বাবে প্ৰাৰ্থনা কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয় যে সাৱধানতামূলক ব্যৱস্থা হিচাপে কাষৰীয়া এটা অট্টালিকাও খালী কৰা হৈছে। আৱদ্ধ হৈ থকা লোকসকলক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক তাৎক্ষণিক সহায় আগবঢ়োৱাৰ বাবে সকলো প্ৰচেষ্টা চলোৱা হৈছে।

ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দক্ষিণ-পশ্চিম দিল্লীৰ সত্য নিকেতনস্থিত বহুমহলীয়া অট্টালিকাটো খহি পৰাৰ ঘটনাৰ পিছত গোৱা বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া তেওঁৰ নিৰ্ধাৰিত কাৰ্যসূচী বাতিল কৰিছে। ইতিমধ্যে গোৱাত উপস্থিত থকা শ্ৰীশ্বাহৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি কাদাম্বা প্লেট'ত নৱনিৰ্মিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয় ভৱনটো উদ্বোধন কৰাৰ লগতে দলীয় কৰ্মীসকলক সম্বোধন কৰাৰ কথা আছিল।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ অহা ৮ তাৰিখৰ পৰা ১০ তাৰিখলৈ চৰকাৰী কাৰ্যসূচীৰে শ্ৰীলংকালৈ যাব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি, এই ভ্ৰমণকালত তেওঁ শ্ৰীলংকাৰ নেতৃত্বৰ সৈতে আলোচনা কৰাৰ লগতে কলম্বোত থকা ভাৰতীয় প্ৰবাসীসকলৰ সৈতে মত বিনিময় কৰিব।

তেওঁ প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলক লৈ গঠিত এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিব।

মন্ত্ৰালয়ে কয় যে ৰাজনাথ সিঙৰ শ্ৰীলংকা ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা পৰম্পৰাগতভাৱে শক্তিশালী আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰিব। বিশেষকৈ সামুদ্ৰিক আৰু প্ৰতিৰক্ষা সহযোগিতাকে ধৰি পাৰস্পৰিকভাৱে লাভজনক ক্ষেত্ৰসমূহত অংশীদাৰিত্ব অধিক সুদৃঢ় হ'ব।

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ গভীৰ সম্পৰ্ক আৰু বহুমুখী অংশীদাৰিত্ব ৰ মূল ভিত্তি হৈছে আঞ্চলিক নিৰাপত্তা, প্ৰতিৰক্ষা, অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা তথা দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সুসম্পৰ্ক।

০০০০০০

রাজ্যসভাৰ বিজেপি সাংসদ ড° দীনেশ শৰ্মাক আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ উপৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ২০১৭ চনৰ ৮ অক্টোবৰত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ উপৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা এডমিৰেল (অৱসৰপ্ৰাপ্ত) ডি কে যোশীৰ পাছত ড° শৰ্মাই এই পদত নিযুক্তি লাভ কৰে। ৬২ বছৰীয়া ড° শৰ্মাই ইয়াৰ পূৰ্বে উত্তৰ প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকাল অহা ২৫ নৱেম্বৰত  সমাপ্ত হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা কালি জাৰি কৰা এটা বিবৃতিত কোৱা হৈছে যে কাৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰাৰ দিনাৰে পৰাই ড° শৰ্মাৰ নিযুক্তি কাৰ্যকৰী হ'ব।

০০০০০০

ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটিয়ে আজি চেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰে। স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটোৱে আজি ফাইনেলত চীনৰ হে জি টিং আৰু ৰেন জিয়াং য়ুক ১১-২১, ২১-১৩, ২১-১৭ গেমত পৰাস্ত কৰি ভাৰতৰ হৈ চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰথম খিতাপ দখলকাৰী হিচাপে পৰিগণিত হয়। এই জয়েৰে ভাৰতীয় যুটীটোৱে চলিত বৰ্ষৰ দ্বিতীয়তো খিতাপ অৰ্জন কৰে। তেওঁলোকে ইয়াৰপূৰ্বে ছিংগাপুৰ অ'পেন ছুপাৰ 750 ৰ খিতাপ দখল কৰাৰ বিপৰীতে থাইলেণ্ড অ'পেন ছুপাৰ 500 প্ৰতিযোগিতাত ৰাৰ্ণাছআপ হয়। বিশ্বৰ ৫ নম্বৰ স্থানৰ  স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটোৱে ছেমিফাইনেলত মালয়েছিয়াৰ নুৰ মহম্মদ অজ্ৰিয়ন আয়ু আৰু টেন ৰি কিয়ঙক ২১-১৫, ১৮-২১, ২১-১১ গেমত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০

সমাপ্ত